দেওবাৰ, ১৩ এপ্ৰিল ২০২৫ নিয়মীয়া বাৰ্তা

# দিছপুৰ মহাবিদ্যালয়ত বিনন্দীয়া ব'হাগৰ বৰণীয়া বাটেৰে ৰঙালী উদ্‌যাপন

মহানগৰ বাৰ্তা, ১২ এপ্ৰিল ঃ দিছপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা আৰু উদ্যমিতা বিকাশ কোষৰ উদ্যোগত আজি দিছপুৰ মহাবিদ্যালয়ৰ বাকৰিত 'বিনন্দীয়া ব'হাগৰ বৰণীয়া বাটেৰে ৰঙালীৰ উলাহ' নামেৰে ব'হাগী মেলাৰ আয়োজন কৰা হয়। গুৱাহাটী মহানগৰীৰ বিভিন্ন মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে এই মেলাত আহি হস্তনিৰ্মিত থলুৱা পিঠা-পনাৰ লগতে তাঁতশালত বোৱা কাপোৰৰ বিপণীৰ প্ৰতিযোগিতাত অংশগ্ৰহণ কৰে। বিপণীসমূহক পৰ্যবেক্ষণ কৰি বিচাৰকে শ্ৰেষ্ঠ বিপণীৰ মান নিৰূপণ কৰি প্ৰমাণ পত্ৰ প্ৰদান কৰে। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° নৱজ্যোতি বৰাই উক্ত

## থলুৱা পিঠা-পনা কাপোৰ বিক্ৰী শিক্ষাৰ্থীৰ

অনুষ্ঠানৰ উদ্বোধনী কৰি বিপণীসমূহত প্ৰদৰ্শিত সামগ্ৰীবোৰে ছাত্ৰ-ছাত্ৰীসকলৰ দক্ষতা বিকাশৰ লগতে ব্যৱহাৰিক পৰিচালনাৰ ক্ষেত্ৰত অভিজ্ঞতা আহৰণ কৰিব বুলি মত প্ৰকাশ কৰে আৰু বাপতিসাহোন ৰঙালী বিহুৰ শুভেচ্ছা জ্ঞাপন কৰে । ছাত্ৰ-ছাত্ৰী, শিক্ষক-অনা-শিক্ষক কৰ্মচাৰী সকলোৱে গীত-মাত, হুঁচৰিৰে মহাবিদ্যালয়ৰ বাকৰি ৰঙালীৰ ৰঙেৰে উপচি পৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি এখনি আন্তঃমহাবিদ্যালয় বাৰেবৰণীয়া সামগ্ৰীৰ বিপণীৰ প্ৰতিযোগিতা অনুষ্ঠিত হয়। এই প্ৰতিযোগিতাত ক্ৰমে প্ৰথম পুৰস্কাৰ অঞ্জনা মাইৰী, দিছপুৰ মহাবিদ্যালয়, দ্বিতীয় পুৰস্কাৰ প্ৰিন্স শ্বাহ, দিছপুৰ মহাবিদ্যালয় আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে পুনম টুমুং, প্ৰাগজ্যোতিষ মহাবিদ্যালয় লাভ কৰে। লগতে দিছপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত হোৱা কুইজ প্ৰতিযোগিতাত ক্ৰমে প্ৰথম পুৰস্কাৰ অংকুৰ কলিতা আৰু তুষাৰ চাহু, দ্বিতীয় পুৰস্কাৰ জেনিফাৰ আহমেদ আৰু ৰীতা সৰকাৰ আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে য়ানা শৰ্মা আৰু চন্দন কলিতাই।